B.A 4th Sem. (Arts) (General)
Sub: Education
Paper-(4.01) G.U.

Unit-4

Q.No.5 সামাজিক পৰিৱৰ্তনৰ কাৰিকৰী হিচাপে শিক্ষাৰ ভূমিকা কি? আলোচনা কৰা।

Ans: বৰ্তমান আধুনিক যুগত শিক্ষাই সামাজিক পৰিৱৰ্তনত এক শক্তিশালী সক্ৰিয় হিচাপে ভূমিকা পালন কৰিছে। সমাজৰ যেনেদৰে পৰিৱৰ্তন হয় সেই হেতু শিক্ষাই সমাজৰ নেতৃত্বকাৰী হয়। শিক্ষাই মানুহৰ মনৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, গোড়ামি, নিৰক্ষৰতা, অপৰাধ প্ৰৱণতা, সাম্প্ৰদায়িকতা, জাতীয়তাবাদ, সংকীৰ্ণতাবাদ আদিৰ দৰে সামাজিক ব্যাধি সমূহ নিৰ্মূল কৰে। শিক্ষা হ'ল মানুহৰ আচৰণ প্ৰকাশ কৰা এক 'প্ৰক্ৰিয়া' যাৰ জৰিয়তে ব্যক্তি হিচাপে গঢ় লয়। ইয়াৰ যোগেদি পৰিৱৰ্তিত নতুন ধ্যান-ধাৰণা সমূহ সমাজৰ বিস্তাৰ লাভ কৰে। সেয়ে শিক্ষাই জীৱনৰ সকলো ক্ষেত্ৰত নতুন নতুন চিন্তাৰ দিশ দেখুৱায়। সমাজত আন সকলো প্ৰকাৰ অনুষ্ঠান, গোষ্ঠী আদি শিক্ষাৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে শিক্ষাক এক শক্তিশালী আহিলা (Instrument) হিচাপে বিবেচনা কৰা হয়।

সমাজ বিজ্ঞানী Durkheim ৰ মতে শিক্ষা হ'ল এক সমাজ-সংস্কাৰ প্ৰক্ৰিয়া যি সামাজিক পৰিৱৰ্তনত সহায় কৰে। তেওঁৰ মতে Socialisation of the younger generation। সমাজৰ নতুন প্ৰজন্ম। শিক্ষাই মানুহৰ জীৱনধাৰণৰ পদ্ধতি, চিন্তা পদ্ধতি, দৃষ্টিভংগী, মূল্যবোধৰ পদ্ধতিত নতুনত্ব আনে। তেওঁৰ মতে "To change man is to change society only" মানুহৰ পৰিৱৰ্তন হ'লে সমাজৰ পৰিৱৰ্তন হ'বই। সেয়েহে এইটো নিশ্চিত যে মানুহৰ সকলো প্ৰকাৰৰ পৰিৱৰ্তন যেনে ① সামাজিক ব্যৱহাৰৰ পৰিৱৰ্তন ② অন্ধবিশ্বাস কু-সংস্কাৰ দূৰীকৰণ ③ আইনৰ সবলীকৰণ ④ গণতান্ত্ৰিক মূল্যবোধ গঢ় ⑤ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ ⑥ জাতীয় দৃষ্টিভংগীৰ পৰিৱৰ্তন ⑦ মূল্যবোধৰ উন্নতি ⑧ সাংস্কৃতিক ঐতিহ্য ৰক্ষা ⑨ শান্তি প্ৰগতি লাভ ⑩ সাৰ্বজনীন শিক্ষাৰ দ্বাৰা শিক্ষাই আনিব পাৰে। মানুহৰ চিন্তা, দৃষ্টিভংগীৰ পৰিৱৰ্তন আনিব পাৰিছে।

বৰ্তমান যুগ শিক্ষাৰ ক্ষেত্ৰত উন্নয়নশীল দেশৰ কাৰণে শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ, বিজ্ঞান প্ৰযুক্তি, কাৰিকৰী আৰু অৰ্থনৈতিক, ৰাজনৈতিক, বিভিন্ন ক্ষেত্ৰত এক পৰিৱৰ্তন আনিছে। শিক্ষাই কি দিশত যোগ্য ব্যক্তি তৈয়াৰ কৰে — শিক্ষক, অভিযন্তা, চিকিৎসক আদি যিসকলে সমাজৰ সকলো উন্নয়নত অৰিহণা যোগাইছে। এইসকলক গঢ় দিয়া শিক্ষাই উন্নত সমাজ গঢ়ে। সমাজ যদি উন্নত হয় তেন্তে ব্যক্তি প্ৰগতিশীল। সেয়েহে শিক্ষাক সমাজৰ উন্নতিৰ চাবিকাঠি বুলি কোৱা হয়।

মুঠতে ক'ব পাৰি যে সামাজিক পৰিৱৰ্তন শিক্ষাৰ আৰু শিক্ষাই সমাজৰ পৰিৱৰ্তন সাধন কৰে।